بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**তেহেৰিকে জাদিদৰ দফতৰ ষষ্টম বাবৰকত আৰম্ভণী,৪৭ তম বছৰত জামাতৰ সদস্য সকলৰ ফালৰ পৰা আগবঢ়োৱা অৰ্থনৈতিক কোৰবাণীৰ বৰ্ণনা আৰু ৭০ তম বছৰৰ আৰম্ভণী সম্পৰ্কে ঘোষণা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩ নৱেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ أَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কোৰাণ কৰিমৰ আয়াত ছুৰা আল ইমৰানৰ ৯৩ নং আয়াত পাঠ কৰে। যাৰ অৰ্থ এইদৰে হয় আল্লাহ তা'লাৰ নিমিত্তে নিজৰ আটাইতকৈ মৰমৰ বস্তু খৰচ নকৰা মানে নিশ্চয় তোমালোকে কদাপি সম্পূৰ্ণ সদাচাৰ লভিব নোৱাৰিবা আৰু তোমালোকে যিহকে খৰচ কৰা, বাস্তৱতে তাক আল্লাহে ভালদৰে জানে। এই আয়াতৰ মাজেৰে আল্লাহ তা'লা স্পষ্ট কৰি দিছে যে নেকিৰ সৰ্বোচ্চ মানদণ্ড তেতিয়াহে লাভ কৰিব পৰা যায়, যেতিয়া তুমি খোদা তা'লাৰ সন্তুষ্টি লাভৰ অৰ্থে খোদা তা'লাৰ বাটত সেই বস্তু খৰচ কৰিবা, যিবোৰ তুমি অতিকৈ ভাল পোৱা। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে প্ৰকৃত মুক্তি তুমি কদাপি নোপোৱা যেতিয়ালৈকে তুমি সেই বস্তু খৰচ নকৰা, যি তোমাৰ অতিকৈ মৰমৰ। ইয়াৰ পিছত আৰু কৈছে ধন মাল মৰমৰ বস্তু হিচাপে ঠাই দিব নালাগে। লগতে আৰু কৈছে বেকাৰ খৰচ কৰি কোনেও নেকিৰ দাবী কৰিব নোৱাৰে। নেকিৰ দাবী বৰ সংকীৰ্ণ। গতিকে এয়া ভালদৰে মনত ৰাখিবা যে বেকাৰ বস্তু খৰচ কৰি কোনেও তাত প্ৰৱেশ কৰিব নোৱাৰে। কাৰণ যেতিয়ালৈকে অতিকৈ মৰমৰ বস্তু খৰচ নকৰিবা তেতিয়ালৈকে প্ৰিয়জনাৰ ওচৰত প্ৰিয় হ'ব নোৱাৰিবা। যদি কষ্ট কৰিব নিবিচৰা আৰু প্ৰকৃত পুণ্য অৰ্জন কৰিব নিবিচৰা তেন্তে কেনেকৈ কৃতকাৰ্য আৰু সফলতা লাভ কৰিবা। আৰু কৈছে যে চাহাবা সকলে বিনা কষ্টে আৰু সহজতে এই স্থান পাইছিল নে ? নাই পোৱা। কাৰণ খোদা তা'লাৰ সন্তুষ্টি যি অচল আনন্দৰ উৎস সেয়া লাভ কৰিব পৰা নাযায়, যেতিয়ালৈকে অস্থায়ী ভাৱে কোনো কষ্ট এটা ভোগ কৰা নহয়। খোদা তা'লাক প্ৰবঞ্চনা কৰিব পৰা নাযায়।

ধন্য হ'ল সেই সকল লোক যিসকলে ইলাহি সন্তুষ্টিৰ বাবে কষ্ট কৰিবলৈ ভ্ৰূক্ষেপ নকৰে কাৰণ চিৰস্থায়ী সুখ, আনন্দৰ মৃদু পৰশ এই অস্থায়ী কষ্টৰ পিছতেই মোমিন সকলে লাভ কৰি থাকে। গতিকে এয়া হ'ল ধনমাল

খৰচ কৰাৰ আচল পদ্ধতি যি হজৰত মছীহ মাওউদ (আঃ)য়ে আল্লাহ তা'লাৰ নিৰ্দেশ অনুযায়ী আমাৰ মাজত জন্ম দিব বিচাৰিছে। আনফালে এয়া জামাতৰ ওপৰত আৰু প্ৰত্যেক আহমদীৰ ওপৰত আল্লাহ তা'লাৰ দয়া, যিসকলে কথাখিনি বুজি পাইছে আৰু নিজৰ ধনমাল দ্বীনৰ পথত ব্যয় কৰি আছে।

জামাতৰ সদস্য বৃন্দৰ অধিকাংশই নিজৰ অভাৱ থকা সত্ত্বেও নিজৰ ধনমাল ধৰ্মৰ প্ৰয়োজনত খৰচ কৰি আছে। বৰ্তমানে আমি দেখিবলৈ পাই আছো যে বিশ্বৰ অৰ্থনৈতিক অৱস্থা বেয়াৰ ফালে ঢাল খাই গৈ আছে। উন্নত দেশবোৰ আৰু উন্নয়নশীল দেশবোৰৰও আগৰ সেই অৱস্থা নাই। ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধই অৱস্থা আৰু বেয়াৰ ফালে টানি লৈ গৈছে। সেই দেশবিলাকৰ  ওপৰত ৰাজনৈতিক শাসনে দেশ সমূহৰ অৱস্থা বেয়া কৰি পেলাইছে। তথাপি আহমদী সকলে নিজৰ ধনমাল কোৰবাণীৰ ক্ষেত্ৰত আগবাঢ়ি গৈ আছে। জগতৰ মোহত পৰি থকা সকলে এয়া বুজি পোৱাটো কঠিন। কিন্তু যাৰ ঈমান মজবুত আছে, তেওঁ গম পায় যে এই কোৰবাণী এই কাৰণেই কৰা হয় যে ইয়াৰ ফল স্বৰূপে আল্লাহ তা'লাৰ কৃপা দৃষ্টিগোচৰ হয়। নৱেম্বৰ মাহৰ প্ৰথম সপ্তাহত তেহেৰিকে জাদিদৰ নতুন বছৰৰ ঘোষণা কৰা হৈ থাকে। সেয়ে তেহেৰিকে জাদিদৰ বিষয়েই কিছু ঘটনাৰ বৰ্ণনা কৰিম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে যেতিয়া তেহেৰিকে জাদিদৰ ঘোষণা কৰিছিল আৰু সেই সময়ত যি প্ৰয়োজনীয়তা প্ৰকাশ কৰিছিল, তাতে মহিলা সকলৰ মালি কোৰবাণীৰ দৃষ্টান্ত এনেকুৱা আছিল যে গহনা বনাবলৈ এৰিছিল আৰু বনাইছিল যদিও কমকৈ বনাইছিল আৰু ৰাহি কৰি কোৰবাণী আগবঢ়াইছিল। সেই সময়তও আৰু এতিয়াও মহিলা সকলে কোৰবাণী কৰি আছে। এতিয়াও কিছুমান মহিলাই নিজৰ সমস্ত গহনা পাতি চান্দা হিচাপে আগবঢ়াই দিয়ে।

বহুতো দৰিদ্ৰ লোক আছে তেওঁলোকে নিজকে লঘোনত ৰাখি থকা চান্দা দি  থাকে, তাৰে বহুকেই আল্লাহ তা'লা পৰ্য্যাপ্ত পৰিমাণে ওভাৰাইও দি থাকে। চহকী লোক সকলে ইয়াতে কিছু কথা শিকিব লগীয়া আছে আৰু নিজৰ কোৰবাণীৰ মান বঢ়োৱাৰ প্ৰয়োজন আছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে দৰিদ্ৰ লোক সকলৰ  কিছুমানে নিজৰ এক মাহৰ আমদানিৰ ৪৫ শতাংশ চান্দা দিয়ে। কিন্তু দেখা যায় চহকী লোক সকলে মাত্ৰ ডেৰ শতাংশ দিয়ে। বৰ্তমানে এনেকুৱা কিছুমান দৰিদ্ৰ লোক আছে যিসকলে নিজৰ আয়ৰ সম্পূৰ্ণখিনি চান্দাত দি দিয়ে; আৰু ধনী ব্যক্তি সকলে এক শতাংশ দিয়ে। এই হিচাপত দৰিদ্ৰ সকলৰ কোৰবাণীৰ মান বহুত উচ্চ। গতিকে সম্ভ্ৰান্ত লোক সকলে নিজকে গমি চোৱা উচিত। মনত ৰাখিব যে  আল্লাহ তা'লা কেতিয়াও ঋণ নাৰাখে। যেনেকৈ কোৰাণ কৰিমৰ এঠাইত কৈছে যে সাত শ গুণ বা তাতকৈ বেছি বঢ়াই দিয়ে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে গিনিবাছাও, ফজি,মালাবি, তানজানিয়া,নাইজেৰিয়া,লগতে আৰু কিছুমান দেশৰ লোকে তেহেৰিকে জাদিদত আগবঢ়োৱা কোৰবাণীৰ দৃষ্টান্ত আগবঢ়াইছে। তাতে কৈছে যে বিৰোধী জামাত বিলাকে এই জামাতক শেষ কৰিবলৈ জোৰ লগাইছে, তেনে ক্ষেত্ৰত চাওঁক কেনেকৈ আল্লাহ তা'লা নমোবাইন সকলৰ হৃদয়ত জামাতৰ কাৰণে কোৰবাণী কৰাৰ এক বিৰাট আগ্ৰহৰ জন্ম দি গৈছে। লগতে সিহঁতক আকৌ ওভতাই দি আছে।

এনে ক্ষেত্ৰত বিৰুদ্ধবাদী সকলৰ ফুকত এই বন্তি নুমাই যাব পাৰেনে ?  যি আল্লাহ তা'লা জ্বলাই ৰাখিছে। নোৱাৰে, তেওঁলোকে যিমান পাৰে জোৰ লগাওক; অসফল হোৱাটোৱে তেওঁলোকৰ ভাগ্যত আছে। জামাত বিশ্বৰ প্ৰান্তে প্ৰান্তে কোৰবাণীৰ দৃষ্টান্ত স্থাপন কৰি কৰি উন্নতি কৰি যাব। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই কাৰণেই তেহেৰিকে জাদিদৰ ভেঁটি স্থাপন কৰিছিল যে জামাতৰ বিৰোধীতা চাৰিওফালে প্ৰবল আছিল, এনেকি চৰকাৰী

বিষয়া বর্গ সকলেও বিৰুদ্ধবাদী সকলক সমৰ্থন দিছিল, এনে অৱস্থাত যেন তবলিগ কৰি জামাত বঢ়োৱা যায় আৰু বিশ্বৰ প্ৰত্যেক দেশত যেন জামাতে আহমদীয়াৰ জৰিয়তে ইছলামৰ পতাকা উৰুৱাব পৰা যায়। গতিকে এয়া জামাতে আহমীয়াৰ জৰিয়তে ইছলামৰ ছায়াত অহা লোক যিসকলে ঈমান আৰু বিশ্বাসত এক দৃষ্টান্ত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰি আছে। ইয়াৰে ঘটনা বহুত আছে যদিও সেই সকলোবোৰ ইয়াতে বৰ্ণনা কৰিব পৰা নাযায়।

তেহেৰিকে জাদিদ সম্পৰ্কে আৰু ইয়াৰ ইতিহাস সম্পৰ্কে কিছু কথা বৰ্ণনা কৰিম। জামাতৰ বিৰুদ্ধে সকলো ফালেৰে ফিৎনা ফাছাদে মূৰ দাঙি উঠিছিল। বিশেষকৈ আহৰাৰী সকলে বিবাদ কৰিবলৈ জোৰ লগাইছিল, তেওঁলোকৰ শ্লোগান আছিল। আহমদীয়তৰ নাম নিচান মচি দিম, কাদিয়ানৰ নাম নিচান মচি দিম, কাদিয়ানৰ ইট খুলি পেলোৱাৰ পৰিকল্পনা কৰিছিল। ইমানেই যে তেওঁলোকে হজৰত মছীহ মাওউদ (আঃ)ৰ মজাৰ মোবাৰকৰ অসন্মান কৰাৰ পৰিকল্পনা কৰিছিল। চৰকাৰৰ ফালৰ পৰা বিৰুদ্ধবাদী সকলে পূৰ্ণ সমৰ্থন পাইছিল। এনেকুৱা পৰিস্থিতিৰ মাজত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এটা জাননীৰ জৰিয়তে জামাতক তেহেৰিক কৰিছিল যে মালী কোৰবাণীৰ ফালে মনোযোগ দিব লাগে। এয়া ১৯৩৪ চনৰ কথা, তেখেত (ৰাঃ)য়ে কৈছিল যে মাজে সময়ে কোৰবাণী বেছি বেছিকৈ কৰিব লগা হয় আৰু সেই কাৰণে মহিলা আৰু ল'ৰা-ছোৱালী বিলাকেও ভাগ ল'বলৈ সাজু হওঁক। এয়া কেৱল পুৰুষ সকলৰ কাম নহয় বৰং মহিলা সকলেও নিজৰ দায়িত্ব বুজি ল'ব লাগিব। যদিও এয়া প্ৰত্যেক আহমদীৰ বাবে বাধ্যতামূলক নাছিল তথাপি জামাতে আনুগত্যৰ এটা অসাধাৰণ আগ্ৰহ প্ৰদৰ্শন কৰিছিল। যিয়েই নহওঁক ১৯৩৪ চনত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে নিয়মিত এটা ফাণ্ডৰ প্ৰতিষ্ঠা কৰিবলৈ ঘোষণা কৰিছিল আৰু কৈছিল যে আমি শত্ৰু সকলৰ হিংসাৰ উত্তৰ দিব লাগিব। তেতিয়া তেখেত (ৰাঃ)য়ে জামাতক এটা কাৰ্যসূচী বনাই দি তাতে সকলোৰে সংশোধন আৰু কোৰবাণীৰ মান সুবিস্তাৰিত কৰাৰ ফালে মনোযোগ আকৰ্ষণ কৰি কোৰবাণী আগবঢ়াবলৈ আহ্বান কৰে। এই আহ্বানত নিজৰ অভাৱ আওকাণ কৰি প্ৰত্যেক আহমদীয়ে যি কোৰবাণীৰ দৃষ্টান্ত স্থাপন কৰিছিল আল্লাহ তা'লা তাৰ প্ৰতিদান সহ কবুল কৰিছিল আৰু গোটেই বিশ্বত তবলিগৰ অসাধাৰণ বাট মুকলি কৰি দিছিল। এই কোৰবাণীৰ দৃষ্টান্ত তাতেই ক্ষান্ত হৈ পৰা নাছিল বৰং আজিও সেই দৃষ্টান্তৰ ছিলছিলা চলি আছে। যিয়েই নহওঁক তেওঁলোকে মালী কোৰবাণীৰ লগতে ধৰ্মৰ বাবে নিজৰ জীৱন ওয়াকফ কৰি গৈ আছে। দূৰ-দূৰণিলৈ তবলিগ কৰিবলৈ গৈ কিছুমানে কাৰাবাস খাটিবলগীয়া হৈছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে প্ৰথমে এই তেহেৰিক দহ বছৰলৈকে বঢ়াই দিছিল। তিনি বছৰৰ পৰা দহ বছৰ কৰিছিল। আকৌ দহ বছৰৰ পাৰ হোৱাৰ পিছত ইয়াৰ ফলাফল ভাল হোৱা দেখি আৰু বেছি কোৰবাণী কৰোঁতা সকলৰ ইচ্ছা অনুসৰি আৰু সময় বঢ়াই দিয়ে; লাহে লাহে তেহেৰিকে জাদিদ এটা স্থায়ী তেহেৰিক হৈ পৰে। আজি আমি আল্লাহ তা'লাৰ কৃপাৰ যি দৃশ্য অৱলোকন কৰি আছো, এয়া আমাৰ সেই পুৰ্বপুৰুষ সকলৰ কোৰবাণীৰ ফল যাক আল্লাহ তা'লা কবুল কৰি লৈছে। এতিয়াও নতুনকৈ আহমদীয়ত গ্ৰহণ কৰোঁতা সকলক মাজে সময়ে সপোনৰ জৰিয়তে এই তেহেৰিকত আৰু ধনমাল কোৰবাণী কৰিবলৈ মনোযোগ আকৰ্ষণ কৰা হৈ থাকে। সেই পূৰ্বৰ কোৰবাণী কৰোঁতা সকলৰ বংশধৰ সকলে আজিও নিজৰ পূৰ্বপুৰুষ সকলৰ কোৰবাণী মনত পেলাই নিজে আৰু নিজৰ বংশধৰ সকলক সেই কোৰবাণীৰ ধাৰা অব্যাহত ৰখাৰ চেষ্টা কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি আমি তেহেৰিকে জাদিদৰ যি ফলাফল দেখা পাই আছো, সেয়া খৰচি মাৰি বৰ্ণনা কৰিবলৈ লৈছো। প্ৰথম অৱস্থাত আমি কাদিয়ানতে সীমাবদ্ধ আছিলো বা হিন্দুস্থানৰ ঠাইয়ে বিস্তাৰ লাভ কৰিছিলোঁ। কিন্তু এতিয়া বিশ্বৰ ২২০ খন দেশত মুঠ মছজিদৰ সংখ্যা ৯ হাজাৰ তিনি শৰও অধিক হৈছে গৈ। মিচন হাউচৰ সংখ্যা তিনি হাজাৰ চাৰি শৰ ওপৰত গৈ পাইছে ; আৰু বহু সংখ্যক মছজিদৰ নিৰ্মাণৰ কাম চলি

আছে আৰু মিচন হাউচৰ নিৰ্মাণ কাম চলি আছে। বিশ্বজুৰি মোবাল্লিগ আৰু মোৱাল্লিমৰ সংখ্যা প্ৰায় ৫ হাজাৰ আছে। ইয়াৰ সংখ্যা দিনক দিনে বাঢ়ি গৈ আছে। আল্লাহৰ কৃপাত কোৰাণ কৰিমত অনুবাদ বিভিন্ন ভাষাত কৰা হৈ আছে। আজিলৈকে ৭৩ টা ভাষাত কোৰাণ কৰিমৰ অনুবাদৰ কাম সম্পূৰ্ণ হৈছে। লিটাৰেচৰ আদি ছপা হৈ আছে লগতে বিভিন্ন ভাষাত লিটাৰেচাৰ বিলাক অনুবাদ কৰা হৈ আছে ; আৰু ইয়াৰ দ্বাৰা অসংখ্য কাম সমাধান কৰা হৈ আছে। যিবোৰ কাম আগতে এই তেহেৰিকে জাদিদৰ জৰিয়তে আৰম্ভ কৰা হৈছিল। যদিও এই তেহেৰিকত আহি বাকী আন আন চান্দা বিলাক যোগ হৈছে তথাপি তেহেৰিকে জাদিদৰ এটা ডাঙৰ ভূমিকা ৰৈ আছে।

এই বছৰত গোটেই বিশ্বৰ জামাতবোৰে মিলি ১৭.২০ মিলিয়ন পাউণ্ড কোৰবাণী আগবঢ়াইছে। আলহামদুলিল্লাহ। এই আদায়কৃত ধনৰ সংখ্যা যোৱা বছৰতকৈ ৮ লাখ ৪৯ হাজাৰ পাউণ্ড বেছি হৈছে।

সমূহীয়া ভাৱে আদায় দিয়া ধনৰ হিচাপত পাকিস্তানৰ বাদে প্ৰথম দহখন জামাত হ'ল জাৰ্মান, বৃটেইন, কানাডা, আমেৰিকা মিডল ইষ্টৰ এখন জামাত,ভাৰত, অষ্ট্ৰেলিয়া,ইণ্ডোনেচীয়া,মিডল ইষ্টৰ এটা জামাত আৰু দহ নম্বৰত ঘানা ৰৈ আছে।

ভাৰতবৰ্ষৰ যি দহখন ৰাজ্য আছে তাৰে মাজত প্ৰথম হ'ল কেৰেলা, তামিলনাডু,কৰ্নাটক, তেলেঙ্গানা, জম্মু কাশ্মিৰ,উৰিষ্যা,পঞ্জাৱ,তামিলনাডু,পশ্চিম বঙ্গ, দিল্লী আৰু মহাৰাষ্ট্ৰ। কোৰবাণীৰ পৰিমাণ হিচাপে আগত থকা দহখন জামাত হ'ল কোয়েম্বটৰ, তামিলনাডু, কাদিয়ান, হায়দৰাবাদ,কালিকট, মনজিৰি,মায়লাপালম,বাঙ্গালোৰ,কলিকতা,কৰুলাই আৰু কেৰেং।

আল্লাহ তা'লা এই সকলোবিলাক কোৰবাণী কৰোঁতা সকলৰ জান মালত বৰকত দান কৰক আৰু আগতকৈ বেছি বেছিকৈ কোৰবাণী কৰাৰ সৌভাগ্য দান কৰক।

পেলেষ্টাইনৰ বাসিন্দা সকলৰ শান্তিৰ নিমিত্তে দোৱা কৰিবলৈ নাপাহৰিব। নাৰী আৰু বালক বালিকা সকলে যি অত্যাচাৰৰ বলি হৈ আছে আল্লাহ তা'লা সিহঁতক অতি সোনকালে এই যন্ত্ৰণাৰ পৰা মুক্তি দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 3 Nov 2023**

# BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................

........................................................................................................................

........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844